# Rheumatoid Arthritis
# বাত-বিষ ৰোগ

IRA Committee on patient Education
ভাৰতীয় ৰিউমেটল'জী সন্থাৰ ৰোগী শিক্ষা সমিতি

*Assamese Translation by:*
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

*অসমীয়া অনুবাদ ঃ*
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়

## বাত-বিষ ৰোগ কি?

বাত-বিষ ৰোগ হ'ল বহু দিন ধৰি হৈ থকা এবিধ ৰোগ, যাৰ কাৰণে বিভিন্ন গাঁঠিৰ বিষ হয়, গাঁঠি ঠৰঙা লাগে, ফুলি উঠে আৰু গাঁঠিবিলাকৰ স্বাভাৱিক কাৰ্য ক্ৰমান্বয়ে কমি আহে। প্ৰধানকৈ গাঁঠিতে বিষ-বেদনা হয় যদিও দেহৰ অন্যান্য অংগ-প্ৰত্যংগতো ইয়াৰ প্ৰভাৱ পৰে।

## বাত-বিষ ৰোগ কি কাৰণে হয়?

বাত-বিষ ৰোগক স্ব-প্ৰতিৰোধী ৰোগ হিচাপে চিহ্নিত কৰা হৈছে। দেহৰ প্ৰতিৰোধী ব্যৱস্থাৰ কিছুমান কোষে সঠিকভাৱে কাৰ্য সম্পাদন নকৰি সুস্থ গাঁঠিত যেতিয়া আক্ৰমণ কৰে, তেতিয়া বাত-বিষ ৰোগৰ আৰম্ভণি হয়। অস্থি-কোটৰৰ ঝিল্লী প্ৰদাহ (Inflammation in the synovium) হৈছে এই ৰোগৰ মুখ্য কেন্দ্ৰ বিন্দু। এই ৰোগৰ প্ৰতিৰোধ ব্যৱস্থা আৰু বংশানুক্ৰমিক কাৰকবোৰ ভালকৈ বুজিব পৰা হৈছে কাৰণে নতুন নতুন ঔষধ-পাতি উদ্ভাৱন কৰিব পৰা গৈছে; যিয়ে দেহৰ অপ্ৰয়োজনীয় প্ৰতিৰোধ ব্যৱস্থাৰ কিছুমান পথ ৰোধ কৰে আৰু ৰোগীক উপশম দিয়ে।

## বাত-বিষ ৰোগ কাৰ হয়?

বাত-বিষ ৰোগ হৈছে সৰ্বসাধাৰণতে দেখা পোৱা প্ৰদাহ্য সন্ধিবাত (Inflammatory Arthritis)। আক্ৰান্তসকলৰ প্ৰায় ৭৫ শতাংশই মহিলা আৰু ১ৰ পৰা ৩ শতাংশ মহিলা এই ৰোগত আক্ৰান্ত হোৱা দেখা যায়। এই ৰোগ সাধাৰণতে জীৱনৰ চতুৰ্থ আৰু ষষ্ঠ দশকৰ মাজত আৰম্ভ হয়। কিন্তু যিকোনো বয়সতে এই ৰোগৰ উৎপত্তি হ'ব পাৰে।

## বাত-বিষ ৰোগ নিৰ্ণয়

বাত-বিষ ৰোগৰ লক্ষণসমূহৰ প্ৰাব্যলতা আৰম্ভণিতে অতি কম হোৱাৰ বাবে ৰোগবিধ নিৰ্ণয় কৰাত কঠিন হয়। ৰোগীৰ গাঁঠিৰ বিষ, পুৱা গাঁঠি ঠৰঙা লগা, ভাগৰ লগা, অলপ অপল জ্বৰ হোৱা আদিয়েই প্ৰধান লক্ষণ। সৰহসংখ্যক ৰোগীৰ হাতৰ সৰু গাঁঠিবিলাক আক্ৰান্ত হয় যদিও দেহৰ যিকোনো গাঁঠিতেই এই ৰোগৰ আৰম্ভণি হ'ব পাৰে। কাশ্চিৎ (Rarely) হাওঁফাওঁ, চকু, ছাল আদি আক্ৰান্ত হয়। বহু সংখ্যক ৰোগীৰ চকু আৰু মুখগহ্বৰ শুকাই যোৱাৰ লক্ষণ দেখিবলৈ পোৱা যায়। চকুৰ পানী আৰু মুখৰ লালতিৰ উৎপাদন ক্ৰমান্বয়ে কমি যোৱাটোৱেই ইয়াৰ প্ৰধান কাৰক।

বহুতো বেমাৰৰ প্ৰাৰম্ভিক পৰ্যায়ৰ লক্ষণ বাত-বিষ ৰোগৰ সৈতে মিল দেখা যায়। সেই কাৰণে সন্দেহযুক্ত ৰোগীক বাতবিশেষজ্ঞই পৰীক্ষা কৰাতো প্ৰয়োজনীয়। বাতবিশেষজ্ঞ হৈছে এনে এজন চিকিৎসক যাৰ সঠিক ৰোগ নিৰ্ণয় আৰু যথাযোগ্য চিকিৎসা কৰাৰ প্ৰয়োজনীয় পাৰদৰ্শিতা আৰু অভিজ্ঞতা আছে। ৰোগীৰ লক্ষণসমূহ